# কৃতজ্ঞতা

পোনপ্ৰথমে আমি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক শাখাই অসমীয়া বিভাগৰ অধীনত **"একবিংশ শতিকাৰ অসমীয়া উপন্যাসত নাৰীচেতনা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন (ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনেৰে)"** শীৰ্ষক বিষয়ত পিএইচ. ডি. ডিগ্ৰী প্ৰাপ্তিৰ হেতু গৱেষণা কৰিবলৈ দিয়া অনুমতিৰ বাবে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু অসমীয়া বিভাগৰ প্ৰতিগৰাকী শৈক্ষিক সদস্যলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। গৱেষণাকাৰ্যৰ প্ৰতিটো পদক্ষেপতে আমাক সকলোপ্ৰকাৰৰ নিৰ্দেশনা তথা উৎসাহ আৰু প্ৰেৰণাৰে সহায়-সহযোগিতা আগবঢ়োৱা গৱেষণা গুৰু, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন বিভাগীয় প্ৰধান আৰু সহকাৰী অধ্যাপক ড° চুমী কলিতা বাইদেউলৈ একান্ত শ্ৰদ্ধা আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গৱেষণাকাৰ্যত সন্মুখীন হোৱা প্ৰতিটো সমস্যাৰ সমাধানসূত্ৰ নিৰ্ণয় কৰি দিয়া বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক তথা প্ৰাক্তন ভাষাগুৰু আৰু বৰ্তমান বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়কৰ দায়িত্বত থকা ড° প্ৰদীপ কুমাৰ পাত্ৰ ছাৰলৈ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বৰ্তমানৰ মুৰব্বী ড° বিভূতিলোচন শৰ্মা ছাৰ প্ৰমুখ্যে ড° ডেইজী ৰাণী ডেকা, দীপামণি বৈশ্য আৰু ড° ৰাতুল ডেকা ছাৰে আমাৰ গৱেষণাকাৰ্যৰ নানা দিশত দিহা-পৰামৰ্শৰে উৎসাহিত কৰি সহায়-সহযোগিতা আগবঢ়াইছে। এই ছেগতে আটাইকেইগৰাকীকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আমাৰ কৰ্মস্থান কোক্ৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীক তেওঁলোকে আগবঢ়োৱা দিহা-পৰামৰ্শ আৰু প্ৰেৰণাৰ বাবে আন্তৰিক কৃতজ্ঞতা জনালোঁ।

আজিলৈকে জীৱনৰ প্ৰতিটো মুহূৰ্তকে আৱৰি ৰখা, অনুপ্ৰাণিত কৰা আমাৰ পিতৃ শ্ৰীযুত কিৰণ চন্দ্ৰ শৰ্মা আৰু মাতৃ শ্ৰীযুতা বিদ্যাৱতী শৰ্মাৰ উৎসাহ আৰু প্ৰেৰণা আমাৰ বাবে সাহস স্বৰূপ। তেওঁলোকক আমাৰ সশ্ৰদ্ধ প্ৰণাম জনালোঁ।

আমাৰ প্ৰতিটো ভাবনাৰ সহযোগী হিচাপে সাহস আৰু প্ৰেৰণাৰে গৱেষণা-কৰ্মত উৎসাহ যোগোৱা মাইনা, মামু, ময়ূৰ, দূৰৰি, শ্বৰনম, তৃষ্ণা, হিতা, প্ৰত্যুষ, যুতি আৰু পপীলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ। জয়ন্ত আৰু নিবিড়ৰ সহযোগিতা অবিহনে আমাৰ গৱেষণা সফল নহ'লহেঁতেন। তেওঁলোক দুয়োজনকো আমাৰ আন্তৰিক মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই ছেগতে ভাতৃপ্ৰতিম দেৱব্ৰত আৰু গোবিন্দকো কৃতজ্ঞতা জনালোঁ।

গৱেষণা-গ্ৰন্থখন যুগুত কৰিবলৈ বিশেষভাৱে সহায় লোৱা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পদ্মশ্ৰী মদাৰাম ব্ৰহ্ম কেন্দ্ৰীয় পুথিভঁৰাল আৰু অসমীয়া বিভাগৰ বিভাগীয় পুথিভঁৰাল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভঁৰাল, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভঁৰাল আৰু কলকাতাস্থিত নেচনেল লাইব্ৰেৰীৰ সমূহ কৰ্মকৰ্তাক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

গৱেষণা-গ্ৰন্থখনি মুদ্ৰণ আৰু প্ৰস্তুত কৰি উলিওৱাৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা হাচান আলী ডাঙৰীয়াকো আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

শেষত প্ৰত্যক্ষ আৰু পৰোক্ষ উভয় প্ৰকাৰে আমাৰ গৱেষণা-কৰ্মৰ কালছোৱাত আমাক সহায় কৰা আটাইলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদন কৰিলোঁ।

**(সুনীতা শৰ্মা)**